## সুপ্ৰভাত

আজিৰ দিনটোতে—

- কাৰ্গিল বিজয় দিৱস।
- ১৮৫৬ত আইৰিছ নাট্যকাৰ-সমালোচক জৰ্জ বাৰ্নাৰ্ড শ্ব'ৰ জন্ম।
- ১৮৯৪ত ইংৰাজ ঔপন্যাসিক আলডুছ হাক্সলীৰ জন্ম।
- ১৮৫৬ত ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰৰ ভাৰতত বিধৱা বিবাহ আইন প্ৰচলন।
- ১৯৬৫ত মালদ্বীপৰ স্বাধীনতা লাভ।
- ২০১৬ত প্ৰথম সৌৰচালিত বিমান ছ'লাৰ ইম্পালছ-২ সম্পূৰ্ণ।

স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

খ্যা ১৪১ □ বুধবাৰ □ ৯ শাওণ ১৯৪৫ শক □ ২৬ জুলাই ২০২৩ চন □ VOL-13 □ NO-141 □ WEDNESDAY 26 JULY 2023 (ডিব্ৰুগড় সংস্কৰণ/DIBRUGARH EDITION) PAGE-

### ক্লাবৰ কাৰ্যালয় নিৰ্মাণৰ বাবে আৰ্থিক অনুদান ঘোষণা মন্ত্ৰী যোগেন মহনৰ

# মৰাণ প্ৰেছ ক্লাবৰ ৩১সংখ্যক প্ৰতিষ্ঠা দিৱস-অধিৱেশন

নিয়মীয়া বাৰ্তা, মৰাণ, চেপন, ২৫ জুলাই ঃ ১৯৯২ চনৰ ২৪ জুলাইত গঠিত মৰাণ প্ৰেছ ক্লাবৰ ৩১ সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু দ্বি-বাৰ্ষিক অধিৱেশন উপলক্ষে মৰাণ মহাবিদ্যালয় প্ৰেক্ষাগৃহত অনুষ্ঠিত অসম ভিত্তিক ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাত শিৱসাগৰ জিলাৰ ডিমৌৰ প্ৰতিযোগীয়ে শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰি আধিপত্য বিস্তাৰ কৰিবলৈ সক্ষম হৈছে। ২৩ আৰু ২৪ জুলাইত মৰাণ মহাবিদ্যালয় প্ৰেক্ষাগৃহত অনুষ্ঠিত অধিৱেশনৰ প্ৰথম দিনা অনুষ্ঠিত ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাৰ 'ক' (১২ বছৰ তলৰ) শাখাত ডিমৌৰ দেৱলীনা দেউৰী প্ৰথম, উৰ্বী চেতিয়া দ্বিতীয়, গোলাঘাটৰ প্ৰান্তিকা প্ৰিয়ম শৰ্মা তৃতীয় আৰু যোৰহাটৰ ঋষিকেশ কাশ্যপে চতুৰ্থ স্থান অধিকাৰ কৰে। 'ক' (১২ বছৰ ওপৰ) শাখাত ডিমৌৰ লক্ষ্মীপ্ৰিয়া প্ৰথম, চৰাইদেউৰ স্বপ্নীল বৰুৱা দ্বিতীয় আৰু শিৱসাগৰৰ আইৰিণ গগৈয়ে তৃতীয় স্থান অধিকাৰ কৰে। প্ৰেছ ক্লাবৰ উদ্যোগত অনুষ্ঠিত প্ৰথম অসম ভিত্তিক বিনোদ ফুকন সোঁৱৰণী প্ৰাইজমানী মুকলি কুইজ প্ৰতিযোগিতাত যোৰহাটৰ স্পন্দন প্ৰিয়ম আৰু নাজিৰাৰ কুকিল বেজবৰুৱাৰ দল প্ৰথম, শম্য শমিক খাউণ্ড আৰু শিৱসাগৰৰ সাগৰ শৰ্মাৰ দল দ্বিতীয়, ডিব্ৰুগড়ৰ অনুভৱ দত্ত আৰু ভাস্কৰজ্যোতি বুঢ়াগোহাঁইৰ দল তৃতীয়, ঢকুৱাখনাৰ বিজিত লাহন আৰু ধেমাজিৰ চিৰঞ্জীৱ শইকীয়াৰ দল চতুৰ্থ, ডিব্ৰুগড়ৰ পাৰ্থপ্ৰতিম কাশ্যপ আৰু সত্যৰঞ্জন বিশ্বাসৰ দল পঞ্চম, মৰাণৰ নৱ দ্বীপ চুতীয়া আৰু মলয়া কোচৰ দলে ষষ্ঠ স্থান দখল কৰে। আনহাতে, ছাত্ৰ-ছাত্ৰীৰ মাজত অনুষ্ঠিত চিত্ৰাংকন প্ৰতিযোগিতাৰ 'ক' (প্ৰাক প্ৰাথমিক- ২য় শ্ৰেণী) শাখাত মহৰ্ষি বিদ্যা মন্দিৰৰ ১ম শ্ৰেণীৰ অমিষ্ঠা গোস্বামী প্ৰথম, মৰাণ জাতীয় বিদ্যালয়ৰ ১ম শ্ৰেণীৰ ত্ৰিনভ ফুকন দ্বিতীয় আৰু মৰাণ পিয়লি নগৰ প্ৰাথমিক বিদ্যালয়ৰ ২য় শ্ৰেণীৰ প্ৰাণী শইকীয়া তৃতীয়, 'ক' (তৃতীয় শ্ৰেণী- ৬ষ্ঠ শ্ৰেণী) শাখাত বটামৰা জাতীয় বিদ্যালয়ৰ ৩য় শ্ৰেণীৰ আশুতোষ কোঁৱৰ প্ৰথম, ডাউন টাউন গুৰুকুলৰ ৪ৰ্থ শ্ৰেণীৰ পৰিধি বৰুৱা দ্বিতীয় আৰু চেণ্ট যোচেফ হাইস্কুলৰ ৫ম শ্ৰেণীৰ অনুধৃতি খনিকৰ তৃতীয়, 'ই' (৭ম শ্ৰেণী- ৯ম শ্ৰেণী) শাখাত হ'লীচাইল্ড ইংলিছ একাডেমীৰ ৮ম শ্ৰেণীৰ শুভানন গগৈ প্ৰথম, স্বামী বিবেকানন্দ কেন্দ্ৰীয় বিদ্যালয়ৰ ৭ম শ্ৰেণীৰ অনুৰাধা বৰুৱা দ্বিতীয় আৰু মৰাণ অইল ইণ্ডিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৮শ্ৰেণীৰ বৰ্ণিল বিকাশ বৰুৱাই তৃতীয় স্থান দখল কৰে। প্ৰতিযোগিতা উদ্বোধন কৰে মৰাণ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মিতালী কোঁৱৰে। গধূলি প্ৰেছ ক্লাবৰ সভাপতি দয়ানন্দ সিঙৰ সভাপতিত্বত অনুষ্ঠিত বিষয় বাছনি সভাত সম্পাদক কৰুণা ফুকনে পাঠ কৰা বিগত বৰ্ষৰ সম্পাদকীয় প্ৰতিবেদন সৰ্বসন্মতিক্ৰমে সভাই গৃহীত কৰে। এই সভাতে পুৰণা সমিতি ভংগ কৰি পৰৱৰ্তী কাৰ্যকালৰ বাবে দয়ানন্দ সিঙক পুনৰ সভাপতি আৰু শৰৎ শেনছোৱাক সম্পাদক ৰূপে লৈ ১৯ জনীয়া নতুন কাৰ্যনিৰ্বাহক সমিতিখন গঠন কৰা হয়। দ্বিতীয় দিনা পুৱা ক্লাবৰ পতাকা উত্তোলনেৰে সভাপতি দয়ানন্দ সিঙে প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচী শুভাৰম্ভ কৰাৰ পাছত প্ৰেছ ক্লাবৰ বিদায়ী সম্পাদক কৰুণা ফুকন, অভ্যৰ্থনা সমিতিৰ কাৰ্যকৰী সভাপতি অমিত চৌধুৰী আৰু সম্পাদক শৰৎ শেনছোৱাই স্মৃতি তৰ্পণ কাৰ্যসূচী মুকলি কৰে। দুপৰীয়া ক্লাবৰ উপদেষ্টা ড° যতীন চুতীয়াৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভা উদ্বোধন কৰে ক্লাবৰ মুখ্য উপদেষ্টা শোভিত কুমাৰ ছেত্ৰীয়ে। সভাত ডিব্ৰুগড় হনুমান বক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই নিৰ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰি কয়, সংবাদ পৰিৱেশন কৰোতে সাংবাদিকসকল সাৱধান হোৱা উচিত। সমাজৰ ক্ষতিকাৰক সংবাদসেৱাৰ পৰা আঁতৰি থাকিব লাগে। নেতিবাচক সংবাদ পৰিৱেশন কৰাতকৈ ইতিবাচক সংবাদক গুৰুত্ব প্ৰদান কৰিব লাগে। পৰাপক্ষত ক্ষেত্ৰভিত্তিক অধ্যয়ন কৰিহে সংবাদ সংগ্ৰহ কৰিব লাগে। অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী যোগেন মহন মুখ্য অতিথিৰূপে উপস্থিত থাকি ভাষণ প্ৰদান কৰে। মন্ত্ৰী মহনে মৰাণ প্ৰেছ ক্লাবে চৰকাৰৰ পৰা আবণ্টন পোৱা ভূমিখণ্ডত ক্লাবৰ কাৰ্যালয় নিৰ্মাণৰ বাবে ৫ লাখ টকা আৰ্থিক অনুদান ঘোষণা কৰে। পৰ্যায়ক্ৰমে অধিক আৰ্থিক অনুদান আবণ্টন দিয়াৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে মন্ত্ৰীগৰাকীয়ে। সভাৰ মৰাণৰ বিধায়ক চক্ৰধৰ গগৈ, লোক-সংস্কৃতিৰ বিশিষ্ট গৱেষক ড° অনিল শইকীয়া, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ উপদেষ্টা ৰঞ্জিত চাংমাই, প্ৰাক্তন ছাত্ৰনেতা মানিক গগৈ, চৰাইদেউ জিলা ছাত্ৰ সন্থাৰ সহকাৰী সম্পাদক অবিনাশ শৰ্মা, টাইপাৰ উপ-সভাপতি উত্তম দিহিঙীয়া, সদৌ অসম চুতীয়া ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ক্ষীৰোদ শইকীয়া, সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক দেবেন ওৰাং, 'অৰুণোদয় সংবাদ' কাকতৰ সম্পাদক, মৰাণহাট প্ৰেছ ক্লাবৰ সভাপতি ত্ৰৈলোক্য চেতিয়া, মৰাণ কলা কেন্দ্ৰৰ অধ্যক্ষ, চিত্ৰ শিল্পী অনুজ দুৱৰা আমন্ত্ৰিত অতিথি ৰূপে উপস্থিত থাকি ভাষণ প্ৰদান কৰে। এই সভাতে যদুনাথ পুৰীৰ সম্পাদনাত প্ৰকাশিত প্ৰেছ ক্লাবৰ বাৰ্ষিক মুখপত্ৰ 'প্ৰহৰী' ড° শশীকান্ত শইকীয়াই উন্মোচন কৰাৰ লগতে প্ৰতিযোগিতাৰ বঁটাসমূহ প্ৰদান কৰা হয়।

